4) Sharma, Dr.M.P. , & Sadana, Dr.B.L. (2000). *Public Administration in Theory and Practice.* Allahabad: Kitab Mahal.

৭.৭ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰপতি

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

(১) অসামৰিক সেৱাৰ বিষয়া নিযুক্তিৰ প্ৰক্ৰিয়াত জড়িত সকলো বিষয়ত।

(২) অসামৰিক সেৱাৰ বিষয়াসকলক নিযুক্তি দিবলৈ আৰু এটা সেৱাৰপৰা আন এটা সেৱালৈ বদলিকৰণ আৰু পদোন্নতি কৰণ আদিত অনুসৰণ কৰিবলগীয়া নীতি-নিয়ম সমূহত।

(৩) অসামৰিক সেৱা আৰু পদৰ কাৰণে নিযুক্তি পাবলগীয়া প্ৰাৰ্থীৰ উপযুক্ততা; এটা সেৱাৰ পৰা অন্য এটা সেৱালৈ বদলিকৰণ আৰু পদোন্নতিৰ কাৰণে উপযুক্ততা; বদলিকৰণ বা ডেপুটেশ্যনৰ জৰিয়তে নিযুক্তি আদিবোৰ। সংশ্লিষ্ট বিভাগে পদোন্নতিৰ বাবে অনুমোদন আৰু তেওঁলোকক স্বীকৃতিৰ বাবে ৰাজ্যিক লোকসেৱা আয়োগক অনুৰোধ জনায়।

(৪) স্মাৰক পত্ৰ বা প্ৰতিবেদন সম্পৰ্কীয় এনেধৰণৰ বিষয়সমূহ সামৰি অসামৰিক দক্ষতাৰে ৰাজ্য চৰকাৰৰ অধীনত কাম কৰা ব্যক্তি এজনক প্ৰভাৱিত কৰিব পৰা সকলো ধৰণৰ অনুশাসনমূলক ব্যৱস্থা। এই বিষয়সমূহত আছে অভিযোগ ককৰ্থনা (তীব্ৰ অসমৰ্থন), দৰমহা বৃদ্ধি বন্ধ কৰি ৰখা, পদোন্নতি বন্ধ, আৰ্থিক ক্ষতিৰ পৰা উদ্ধাৰ, নিম্ন সেৱা বা পদলৈ পৰিৱৰ্তন (পদাৱনতি), বাধ্যতামূলক অৱসৰ, চাকৰিৰ পৰা অপসাৰণ, চাকৰিৰ পৰা অব্যাহতি।

(৫) অসামৰিক বিষয়া এজনে তেওঁ চৰকাৰী কৰ্তব্য সম্পাদন কৰাৰ ক্ষেত্ৰত তেওঁৰ বিৰুদ্ধে উত্থাপিত আইনগত প্ৰক্ৰিয়াক প্ৰতিৰোধ জনাই তেওঁ আইনী ব্যয়ৰ যথাযোগ্য পৰিশোধ দাবী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৬

৫ নং প্ৰশ্নৰ উত্তৰ ঃ তলত দিয়া ধৰণেৰে লোকসেৱা আয়োগৰ স্বতন্ত্ৰতা নিশ্চিত কৰাৰ ব্যৱস্থা কৰা হৈছে।

ক) অৱসৰৰ পাছত নিযুক্তিত বাধা ঃ সংবিধানে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষজনক কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ কোনো পদবীতে পুনৰ নিযুক্তিৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাদে অন্য

সদস্যই অধ্যক্ষৰ পদলৈ পুনৰ নিযুক্তি লাভ কৰিব পাৰে। ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষৰ বাদে অন্য সদস্যই অধ্যক্ষৰ পদলৈ পুনৰ নিযুক্তি লাভ কৰিব পাৰে। ৰাজ্যিক লোকসেৱা আয়োগৰ সদস্যসকলৰ ক্ষেত্ৰতো একেই নিয়মৰ কিছু তাৰতম্য দেখিবলৈ পোৱা যায়। এইখিনিতে এইটো উল্লেখ কৰা প্ৰয়োজন যে ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্যসকলে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধ্যক্ষ বা সদস্য হিচাপে পুনৰ নিযুক্তি পাব পাৰে।

খ) জটিল অপসাৰণ প্ৰক্ৰিয়া ঃ কেন্দ্ৰীয় লোকসেৱা আয়োগ আৰু ৰাজ্যিক লোকসেৱা আয়োগৰ অধ্যক্ষ তথা সদস্যসকলক অসৎ আচৰণৰ ভিত্তিত ৰাষ্ট্ৰপতিৰ এক নিৰ্দেশৰ জৰিয়তে অপসাৰণ কৰিব পৰা যায়। অৱশ্যে এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ জৰিয়তে পঠিওৱা নিৰ্দেশৰ জৰিয়তে তেওঁক/তেওঁলোকক দোষী সাব্যস্ত কৰিব লাগিব। কোনো লাভজনক চৰকাৰী ঠিকা বা চুক্তি আদিৰ প্ৰতি আকৰ্ষিত হ'লে বা অন্যান্য চৰকাৰী ক্ষেত্ৰত বিত্ত সম্পৰ্কীয় লেন-দেনৰ দ্বাৰা লাভান্বিত হোৱাৰ চেষ্টা কৰিলে অধ্যক্ষ বা সদস্যসকলক পদচ্যুতি ঘটাব পৰা যায়।

গ) স্থায়ী সেৱাৰ চর্ত ঃ নিযুক্তিৰ পাছত আয়োগৰ সদস্যসকলে যাতে কোনো ধৰণৰ বিত্তীয় সংকটৰ মুখামুখি নহয় আৰু সেৱা আগবঢ়াওঁতে যাতে কোনো ধৰণৰ বিত্তীয় সমস্যাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে তেওঁলোকৰ দা-দৰমহা আৰু অন্যান্য ভাট্টাসমূহ ভাৰতবৰ্ষৰ সঞ্চিত নিধিৰ পৰা দিয়া হয়। সাংসদ বা ৰাজ্যিক বিধানমণ্ডলে ভোটদানৰ মাধ্যমেৰে ইয়াক ঠিৰাং নকৰে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।



৭.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদে কেন্দ্ৰ তথা প্ৰতিখন ৰাজ্যৰ বাবে একোখনকৈ লোকসেৱা আয়োগৰ ব্যৱস্থা কৰিছে?

প্ৰশ্ন ২ ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ যিকোনো দু টা কার্য উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ প্ৰতিবেদন কাক দাখিল কৰা হয়। (খালী ঠাই পূৰ কৰক)।

প্ৰশ্ন ৪ ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ সদস্যসকলক অৱসৰৰ বয়স কিমান বছৰ? (৬০/৬২/৬৫)।

খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন **১** ঃ লোকসেৱা আয়োগৰ স্বতন্ত্ৰতাক কেনেদৰে নিশ্চিত কৰা হৈছে সেই সম্পৰ্কে এটা টোকা যুগুত কৰক।

প্ৰশ্ন **২** ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন **১** ঃ ৰাজ্যিক লোকসেৱা আয়োগৰ গঠন আৰু কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰক।

*** ***** ***